
শাশ্বত

# এজাক বৰষুণ

অতি যতনেৰে ৰাখিলোঁ
মই মোৰ গোলাপৰ পাহি,
ৰঙা হৈ ফুলিব বুলি
মোৰ গোলাপৰ পাহি।
গোলাপক দেখি মোৰ মিচিকিয়া হাঁহি
কিন্তু এজাক বৰষুণে
উৰুৱাই নিলে খুলিলে
মোৰ গোলাপৰ পাহি।
ৰঙা হৈ ওলোৱা
সেই গোলাপৰ পাহি
এপাহ দুপাহকৈ সৰিব ধৰিলে
মোৰ গোলাপৰ পাহি।
এজাক বৰষুণে শেষ কৰিলে
সেই গোলাপৰ পাহি,
আজিও বিচাৰি ফুৰিছোঁ
মোৰ গোলাপৰ পাহি




— হিৰামনি ৰ

# হেঁপাহ

হেঁপাহবোৰ
বুকুৰ একোণত ৰাখিছিলোঁ
সযতনে আলফুলে ।
আউস্মাৰ টোকোৰে
বহু দূৰলৈ উটোৱাই নিলে ।
ইতি হ'ল সপোনবোৰ
সপোনবোৰৰ মাজত ভৰা কথাবোৰ
হৈ গ'ল এগাল মান
বিষাদ বিষাদ লগা
স্মৃতি ।

- অল্পনা কলিতা -
দ্বিতীয় ষান্মাসিক


দেউতা
দেউতা মানে আবেগ,
দেউতা মানে ত্যাগ,
দেউতা মানে মৰম,
দেউতা মানে বিশ্বাস আৰু সাহস
দেউতা মানে
সন্তুষ্ট হৈ ফুৰাবলৈ প্ৰয়োজন
দেউতা মানে
সন্তানৰ সপোনবোৰ পূৰণ কৰাত
দেউতা মানে
নিজে কষ্ট কৰি সন্তানৰ
ভৱিষ্যত গঢ় মানুহজন
দেউতা মানে
এক হাৰ নমনা জীৱনযোদ্ধা,
-জুনমণি বৰা
ষষ্ঠ ষাণ্মাসিক

## ফাইয়াই চাম সপোনবোৰ

হাঁহিবোৰ চিৰধ্বাৰ কাঢ়িছে,
ৰঙবোৰ শেতা পৰিছে
পোহৰে কিয় এন্ধাৰ সাঁতি সাতিছে!
মই হাঁহিব খুজিছোঁ
এন্ধাৰৰ মাজতো পোহৰ বিচাৰি
ঘূৰিছো
নদীৰ পাৰে পাৰে গৈ
দিগন্তক চুমিব খুজিছোঁ
পোহৰ বিচাৰি যদি অগাৰি পাৰো
ফাইয়াই চাম সপোনবোৰ
নিজেই নিজক কৰা প্ৰতিশ্ৰুতিবোৰ
সিঁহত মোৰ বৰ আপোন।

- গৌতম ৰাভা
দ্বিতীয় ষান্মাসিক



# কৌতুক

দেউতা : বোপাই তুমি ডাঙৰ
হ'লে কি হ'বা ?

পুত্ৰ : মই এজন পশু চিকিৎসক
হ'ম ।

দেউতা : তুমি পশু চিকিৎসক কিয়
হ'ব বিচাৰা ?

পুত্ৰ : কিয়নো পশুৱে চিকিৎসা
ভুল হ'লে অভিযোগ কৰিব
নোৱাৰে ।

# স্মৃতি

স্মৃতিৰ সোঁৱৰণীত
শৈশৱৰ ক্ষণবোৰে
আজিকালি বৰকৈ আমনি কৰে
কেতিয়াবা হৃদয়খনে
অতীতক চিঞৰি
নিৰৱে উচুপি উঠে,
আকৌ যে শৈশৱ
কেতিয়াও ঘূৰি নাহে,
শৈশৱৰ বালিৰ ঘৰখন,
ঢকুৱাৰ গাড়ীখন
এইবোৰ যে আৰু কেতিয়াও ঘূৰি নাহে,
বুকুখনে বৰকৈ কান্দে
অতীতৰ সময়বোৰক
হেৰুৱাই পেলোৱাৰ দুখত,
লগৰবোৰৰ লগত
নাৰিকলৰ খোলাত বনোৱা
ধূলিৰ ভাত আজ আৰু
গছৰ পাতৰ আঞ্জাখনলৈ
মনত পৰিলেও,
কেতিয়াবা কব নোৱাৰাকৈয়ে
দুচকুৰ পানীয়ে চকুৰ
পতা ধুই লৈ যায়,
আঁচাকৈয়ে......
স্মৃতিয়ে কেতিয়াবা
বৰকৈ আমনি কৰে,

- উৎসৱ নাথ
দ্বিতীয় ষান্মাসিক

# জীৱন

জীৱন মানে এক সংগ্ৰাম
এটি যন্ত্ৰনা , এক অভিনয়
জীৱন মানে এটি সপোন
যি সপোন
কেতিয়াবা পূৰ্ণ হয়
আৰু কেতিয়াবা
অপূৰ্ণ হৈয়ে থাকে ,
জীৱন মানে সুখ দুখ
হাঁহি কান্দোনেৰে ভৰা
এটি শব্দ ,
এক অবিৰত সংগ্ৰামৰ
পোছাকি নাম ,
জীৱন : যি শোভাযাত্ৰাত
মুখা - মুখি হওঁ
সুখ , দুখ , হাঁহি , কান্দোন
প্ৰাপ্তি অপ্ৰাপ্তি ....,

- জনমী বাগে
দ্বিতীয় ষাণ্মাসিক



লাচিত বৰফুকনৰ জন্ম হৈছিল 24 নৱেম্বৰ, ১৬22 খ্রী: তেওঁৰ দেউতাকৰ নাম আছিল মোমাই তামুলী। ৰামসিংহই গুৱাহাটী আক্ৰমণ কৰিবলৈ লোৱাৰ সময়ত লাচিতে - মোমায়েকক, এটা গড় একে ৰাতিৰ ভিতৰত নিৰ্মাণ কৰিবলৈ দিছিল, কিন্তু - মোমায়েকে এই কাৰ্যত অৱহেলা কৰিছিল আৰু মাহনিশালি গড় নিৰ্মাণৰ আধা কামো শেষ হোৱা নাছিল। দেশৰ এই সংকট কালত কেলাহ কৰাৰে বুলি লাচিতে আপোন হাতৰ হেংদাং ধৰি লৈয়েই "দেশতকৈ মোমাই ডাঙৰ নহয় বুলি" নিজৰ মোমায়েকৰ শিৰচ্ছেদ কৰিছিল। লাচিত বৰফুকনৰ মৃত্যু হৈছিল শৰাইঘাট যুদ্ধৰ পিছত।

- স্নেহা আচলাৰী
চতুৰ্থ ষান্মাসিক

# অহংকাৰ (গল্প)

হস্পিতালৰ বিচনাখনত শুই শুই থাকি বিৰক্তিৰে ভৰি পৰে অনুভৱ। কিমানলৈ আৰু পৰি থাকিব। কেইটামান সত্য কথা আজি তেওঁ উপলব্ধি কৰিছে। অৰিন্দম বৰুৱা চহৰৰ এজন নামি দামী ধনী ব্যৱসায়ী, একমাত্ৰ পুত্ৰ লণ্ডনত থাকে। দেউতাকৰ খবৰ লবলৈ নাই আৰু দেউতাকৰ অহংকাৰ স্বভাৱৰ কাৰণে ভালো নাপায়। মানুহক মানুহ হিচাপে গণ্য নকৰা কেৱল টকা চিনি পোৱা বৰুৱাৰ ওচৰত টকা বাহিৰে এতিয়া কোনো নাই। এষাৰি মৰমৰ আৰু আপোনজনৰ সান্নিধ্যৰ বাবে ব্যাকুল হৈ থাকে। চহৰৰ মাজ মজিয়াত অৱস্থিত বৃহৎ অট্টালিকাৰ ৰাজ কোঠাখনৰ বাহিৰে তেওঁৰ ওচৰত কোনো নাই, পত্নীও যোৱাবছৰ ঢুকাই থাকিল তেতিয়াৰ পৰা তেওঁ অকলশৰীয়া, সেয়েহে তেওঁ আজি উপলব্ধি কৰিছে যে মানুহৰ বৃদ্ধ অৱস্থাত প্ৰয়োজন হয় সহায় আৰু মৰমৰ, ধন টকা-পইচা মিছা অহংকাৰ গৌৰৱ সকলো মিছা, আজি তেওঁৰ পইচা আছে কামত কোনো নাই, হস্পিতাল খনে নিজৰ ঘৰ হৈ পৰিছে এতিয়া। হয়তো এদিন ইয়াৰ পৰাও যাব লাগিব, এটা অজ্ঞাত সুপ্ত বেদনাই হেঁচা মাৰি ধৰিলে বৰুৱাৰ বুকুখন, নিগৰি আহিল টোপ টোপ চকুলো...।

- সৰস্বতী কলিতা
দ্বিতীয় ষাণ্মাসিক

## পখীয়া ভৱা

অন্ধকাৰ মোৰ জীৱনৰ চৌপাশে
পোহৰে আৱৰা তুমি যেন
মোৰ পখীয়া ভৱা,
প্ৰতিপল প্ৰেমৰ স্বপ্ন সনা
তুমি যেন মোৰ
এটি মধুৰ প্ৰতিচ্ছবি,
এতিয়া মাথো তোমাৰ
ইশাৰাত ডুব যায় মোৰ
হেঙুলীয়া বেলিটো,
থাকঁ !
জীৱনৰ প্ৰতিপলত তোমাৰ
সুমধুৰ পৰশ জানো পাম ?
নাজানো অকাল্পনিক ভৱধাৰাই
আজি বৰকৈ মেৰ্তি ধৰিছে,
জানুহা তুমিও মনত হেজাৰটা
সপোনৰ বীজ ছৰাই নাইকীয়া
হবলৈ বাট বুলিছা।

- ধীতুমণি কলিতা
দ্বিতীয় ষাণ্মাসিক

## মহৎ লোকৰ বাণী

① উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ জীৱনব্যাপি সাধিনা নহলে ওখ খাপৰ সাহিত্য সৃষ্টি হোৱা টান,

-কৃষ্ণকান্ত সন্দিকৈ

② কিতাপ হ'ল পৃথিৱীৰ সঞ্চিত সম্পদ, ই হ'ল চামে চামে মানুহে উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা সম্পত্তি;

-হেনৰি ডেভিদ থৰো

ছানিদুল ইছলাম
দ্বিতীয় ষাণ্মাসিক

# জীৱন যাত্ৰা

জীৱন এখনি ৰেলগাড়ী হৈ
এক, দুই, তিনি
আমি এটি এটি ষ্টেচনি
তাতে শৈশৱৰ এটি সুন্দৰ স্থান।
ঘৰ, গাঁও, স্কুল
শিশু জীৱনৰ নাম
যাঁৰ বৈজ্ঞানিক আলোকৰ জিলিকাবোৰ
দুখ আপোন আঁতৰি যাও।
স্নেহ, আদৰ, জন
যাও জীৱন স্কুলটোল
পাছে জীৱন যৌৱনৰ ৰং
দুই চকু মেলামেলি পাইলো
জীৱন সাগৰ আমি যৌৱনৰ বন্ধুবোৰ
দুখ, এহাৰ, স্নেহ
নিৰ্মলো আমি এনাহ
কৈশোৰ জীৱনৰ নাম
নয় অনুভূতি, নয় প্ৰেম
জীৱনৰ কৈশোৰৰ অৱদান।

- নিহুমণি লহকৰ
দ্বিতীয় ষাণ্মাসিক


# সম্পাদকীয়


সাহিত্য এটা জাতিৰ প্ৰাণ। এটা জাতিৰ ভাষা সাহিত্য, কলা-সংস্কৃতি শিক্ষা আদি সকলো দিশৰ নিদৰ্শন পোৱা যায় সেই জাতিটোৰ সাহিত্যৰ যোগেদি। সেয়েহে কলা-সংস্কৃতিৰ লগত সংগতি ৰাখি, ৰংঘৰক কেন্দ্ৰ কৰি সাজি উলিওৱা হৈছে "শাশ্বত" প্ৰাচীৰ পত্ৰিকাখন, লগতে আছে বীৰ লাচিতৰ কিছু আভাস। তাৰ লগতে আছে- কবিতা, গল্প, সাঁথৰ, মহৎলোকৰ বাণী আৰু কৌতুক। এই "শাশ্বত" প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰি উলিওৱাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব ৰুচি-অভিৰুচিৰে তথা চিন্তা চৰ্চাৰে কবিতা, গল্প, মহৎলোকৰ বাণী আদি বিভিন্ন ৰচনা সম্ভাৰ যোগান ধৰিছে তেওঁলোকক মোৰ ফালৰ পৰা অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।


ইতি —

উৎসৱ নাথ

সম্পাদক


③ টেল চং স্রাঁগ্রব চং ক্লাতি
তাকা ঋঁই লাগে জুতি
খোরাগেন খোর ঝাম কি,
- কচু
② হাতী দাঁত
কদম্বর পাত
হোফের নোরাবিলে
গোল্লাগর জাত,
- মুলা


মহৎ লোকৰ বাণী
① অকলো বস্তু কিনিছা কিনা, পৰাপক্ষত মাহেকত একোখন ভাল কিতাপ কিনিবা,
— যতীন্দ্ৰনাথ দুৱৰা
② সাহিত্যিক জাতিৰ খনিকৰ, জাতি গঠন কৰোতে, জাতীয় চৰিত্ৰ গঢ়ি তোলোতে সাহিত্যিকে যথেষ্ট বৰঙণি যোগাব পাৰে।
— অতুল চন্দ্ৰ হাজৰিকা




এছিয়াৰ প্ৰথমটো
১৭৪৬ চনত
স্বৰ্গদেউ প্ৰমত্ত
সিংহৰ ৰাজত্ব-
কালত নিৰ্মাণ কৰা
হৈছিল।
বংঘৰ নিৰ্মাণ
নিৰ্মাণ কৰিছিল।
বংঘৰ নিৰ্মাণ-
21/03/2022

শিক্ষাৰ পোহৰ (অনুগল্প)

মেঘা এজনী শিক্ষিতা ছোৱালী। তাই চাকৰিৰ বাবে খুঁজি খুঁজি এখন বাগানৰ স্কুলত শিক্ষয়িত্ৰীৰ পদত নিযুক্তি পালে, তাইৰ সময়টো আনন্দতে ভৰি পৰিল, কিন্তু সকলোৱে মেঘাক এই পদটো লোৱাত আপত্তি কৰিছিলে। যে তাই ইমান পঢ়ি শুনি এতিয়া চাহৰ বাগানত বনুৱা-ছোৱালীকহে পঢ়ুৱাব যাব, তাতকৈ অলপ দূৰৈ শহৰৰ স্কুল এখনত চাকৰি কৰিলে ভাল আছিল, কিন্তু সকলোৰে কথা আওকাণ কৰি তাই বাগানৰ স্কুলতে শিক্ষকতা কৰিবলৈ সিদ্ধান্ত ললে। আৰু সকলোকে কলে যে, "শিক্ষাই মানুহক জ্ঞান দিয়ে আৰু জ্ঞানে মানুহক পোহৰৰ দিশে আগুৱাই নিয়ে। বাগানৰ স্কুল হ'ল কি, হ'ল তেওঁলোকৰো শিক্ষাৰ সম্পূৰ্ণ অধিকাৰ আছে। বাগানৰ ক'ন ক'ন শিশু সকলেও এদিন জ্ঞানৰ পোহৰেৰে নিজক উজলাই তুলিব।"

— উৎসৱ নাথ
দ্বিতীয় ষাণ্মাসিক


সাঁথৰ
১) নমতাকৈ বিয়া ঘৰ
ৰভাতল ভৰিল
বিয়াৰ পিছত কইনাজনী
পানীত পৰি মৰিল,
উ: পুজাৰ প্ৰতিমা
২) লৰা কালত ৰঙা
ডেকা কালত শ্যাম
বুঢ়া হলে খলধীয়া
মুৰত জোঁটা ধাম,
উ: আনৰস

